**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-01-2026 **Time :** 0755 Hrs.

**HEADLINES**

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি উজনি অসমৰ শৈক্ষিক প্ৰাণকেন্দ্ৰ চহৰখনত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে সদৰি কৰে।

**বাইট (চি এম)**

০০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱস কালি দেশজুৰি উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিয়ে। এইবাৰৰ গণৰাজ্য দিৱসত স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত এই বাণী মূল আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ আকৰ্ষণীয় কুচ-কাৱাজত প্ৰতিবছৰৰ দৰেই এইবাৰো দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সামৰিক শক্তিৰ অনবদ্য প্ৰদৰ্শন দেখিবলৈ পোৱা যায়। এই কুচ-কাৱাজত ৰাজ্যৰ প্ৰতীকপট হিচাপে ধুবুৰীৰ আশাৰীকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্পই সমগ্ৰ দেশবাসীৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। এইবাৰৰ কুচকাৱাজত ব্ৰহ্মচ ছুপাৰ ছনিক ক্ষেপণাস্ত্ৰ প্ৰণালী, টি-নাইনটি ভীষ্ম টেংক, অৰ্জুন মূল যুদ্ধ টেংক, আপাচে ছিক্সটি এইট হেলিকপ্টাৰ প্ৰদৰ্শনৰ লগতে ৰব'টিক দ'গ, মানৱবিহীন সেনা বাহন-নিগ্ৰহ আদি ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ পৰাক্ৰম প্ৰদৰ্শন কৰা হয়।

ইয়াৰ পাছত ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত বিশেষ অনুষ্ঠানত উত্তৰ-পূৰ্বৰ সুস্বাদু খাদ্য আৰু কলা-সংস্কৃতিৰে অতিথি সকলক আদৰণি জনোৱা হয়।

গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উৰুৱায়। নিজৰ ভাষণত ৰাজ্যপালগৰাকীয়ে দেশৰ কষ্টোপাৰ্জিত স্বাধীনতা প্ৰমূল্য বৰ্তাই ৰাখিবলৈ ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত পতাকা উৰুৱায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে দেশৰ হকে প্ৰাণ আহুতি দিয়া ছহিদৰ প্ৰতি খনিকৰ খেলপথাৰত শ্ৰদ্ধা তৰ্পণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে লাখ লাখ স্বাধীনতা সংগ্ৰামীৰ ত্যাগ আৰু বীৰ ছহিদসকলৰ বলিদানক ত্ৰিৰংগ পতাকাৰ গৌৰৱে প্ৰতিনিধিত্ব কৰে বুলি মত প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলেও ৰাজ্যৰ বিভিন্ন জিলা-সমজিলাত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেকসমূহ বিতৰণ কৰিব। মাহমৰা বিধানসভাৰ গৰৌমাৰী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত সমষ্টিটোৰ কেইবাহাজাৰ মহিলাক ১০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি সমষ্টিটোৰ কেইবাটাও গুৰুত্বপূৰ্ণ আঁচনিৰ উদ্বোধন কৰাৰ উপৰি আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

০০০০০০০

ৰাজ্যত অনুষ্ঠিত এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সময়ত স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি মৰ্মে কালি তিনিচুকীয়াত ৰাজ্যৰ দ্বিতীয়খন দক্ষতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে প্ৰথমখন দক্ষতা বিশ্ববিদ্যালয় মঙলদৈত স্থাপন কৰা হৈছে। বিশ্বমানৰ কাৰিকৰী শিক্ষা প্ৰদান কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন ২০০ কোটি টকা ব্যয়সাপেক্ষে ১০ লাখ বৰ্গফুট এলেকাত নিৰ্মাণ কৰা হ'ব। নতুন দিল্লীৰ ৱৰ্ল্ড এডুকেচন মিছনৰ সহযোগত বিশ্ববিদ্যালয়খন স্থাপন কৰা হ'ব। এই বিশ্ববিদ্যালয় উজনি অসমৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীসকলক দক্ষতা ভিত্তিত আৰু প্ৰযুক্তি আধাৰিত শিক্ষা প্ৰদানত সহায়ক হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই শিক্ষানুষ্ঠানখনত পৰম্পৰাগত শিক্ষাৰ লগতে আধুনিক পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। প্ৰায় ১০ হাজাৰ শিক্ষাৰ্থীয়ে একেলগে অধ্যয়ন কৰিব পৰা এই বিশ্ববিদ্যালয়ে প্ৰায় দুহেজাৰ ৫০০ লোকৰ বাবে কৰ্মসংস্থাপনৰ সৃষ্টি কৰি সমগ্ৰ অঞ্চলটোক উপকৃত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃজাতিক প্ৰেক্ষাগৃহৰ আজি উদ্বোধন কৰা হ'ব। মুখ্য অতিথিৰূপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰাও উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ কথা।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা এই প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব।

০০০০০০০

যোৰহাট বাইপাছত যোৱা নিশা এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। ভোগদৈ দলঙৰ সমীপত এখন তীব্ৰবেগী বাহনে মহতাই নিয়াত লোকজনে প্ৰাণ হেৰুৱায়। মৃত ব্যক্তিজন নাওবৈচা গাঁৱৰ ত্ৰৈলোক্য শইকীয়া বুলি চিনাক্ত কৰা হৈছে।

০০০০০০০

**সমাপ্ত**